# REGIONAL NEWS UNIT
AKASHVANI :: GUWAHATI
0000000000

**Date : 01-03-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

***::::::::::::::::::::::::::::::***

অসমে ২০৩০ চনৰ ভিতৰত ১০ লাখ কোটি টকাৰ অৰ্থনীতিৰ ৰাজ্য হিচাপে পৰিগণিত হোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ৰাজ্যখনৰ ২০২৫ বৰ্ষৰ বাজেট সন্দৰ্ভত আলোচনা কৰাৰ উদ্দেশ্যে এখন বৈঠকত অধ্যক্ষতা কৰি এইদৰে প্ৰকাশ কৰে।

তেওঁ কয়, যে অসমে এই বছৰ ৬ লাখ কোটি টকাৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ আহৰণ কৰাৰ বাবে নিষ্ঠাৰে কাম কৰি আছে আৰু অৰ্থনীতিক আগুৱাই নিয়াৰ পৰিকল্পনা প্ৰস্তুত কৰি উলিয়াইছে। এইবাৰৰ বাজেটত নিৰ্ধাৰিত লক্ষ্যৰ দিশত চৰকাৰে গ্ৰহণ কৰা প্ৰচেষ্টাৰ প্ৰতিফলন দেখিবলৈ পোৱা যাব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে অৱগত কৰে।

oooo

কোকৰাঝাৰৰ পৰা ভূটানৰ গেলেফুলৈ প্ৰস্তাৱিত ৰেলপথটোৱে বিটিআৰৰ অৰ্থনীতি আৰু ৰেল সংযোগ ব্যৱস্থাৰ ৰূপান্তৰ ঘটাব আৰু ইয়াৰ ফলত অঞ্চলটোৰ দীৰ্ঘম্যাদি বিকাশৰ পথ প্ৰশস্ত হ'ব। উত্তৰ-পূৰ সীমান্ত ৰেলৱেই আজি এটা বিবৃতিযোগে এইকথা প্ৰকাশ কৰে। আনুমানিক চাৰে তিনিহেজাৰ টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া ৬৯ দশমিক ০-৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই ৰেলপথচোৱাত ছটা নতুন ষ্টেছন থাকিব। ৰেলপথছোৱাৰ স্থান জৰীপ ইতিমধ্যে সম্পূৰ্ণ হৈছে আৰু পৰৱৰ্তী অনুমোদন তথা নিৰ্দেশনাৰ বাবে বিশদ প্ৰকল্প প্ৰতিবেদন দাখিল কৰা হৈছে।

oooo

ৰাজ্য চৰকাৰৰ চিকিৎসা শিক্ষা সঞ্চালকালয়ৰ অধীনত তৃতীয় বৰ্গৰ বিভিন্ন পদৰ লিখিত পৰীক্ষাৰ দিন সলনি কৰা হৈছে। এই অনুসৰি ৯ মাৰ্চৰ পৰিৱৰ্তে ৩০ মাৰ্চত এই পৰীক্ষা অনুষ্ঠিত হ'ব। চিকিৎসা শিক্ষা সঞ্চালকালয়ৰ পৰীক্ষা নিয়ন্ত্ৰক, অধ্যাপক এ কে দাসে আজি এখন জাননী জাৰি কৰি এই বিষয়ে প্ৰকাশ কৰে। তেওঁ লগতে পৰীক্ষা সম্পৰ্কীয় পৰৱৰ্তী তথ্যৰ বাবে www.dme.assam.gov.in ৱেৱছাইট নিয়মীয়াকৈ পৰীক্ষা কৰিবলৈ প্ৰাৰ্থীসকলৰ প্ৰতি আহ্বান জনাইছে।

oooo

আকাশবাণীৰ বাতৰি আৰু অনুষ্ঠানসমূহে আৰম্ভণিৰে পৰা অগণন শ্ৰোতাৰ চিন্তা আৰু ৰুচিক খোৰাক যোগাই আহিছে। স্বকীয় ধাৰা বজাই ৰাখি অথচ পৰিৱৰ্তিত সময়ৰ প্ৰয়োজনৰ সৈতে ৰজিতা খুৱাই কিছু নতুনত্বৰ সংযোজনেৰে আকাশবাণী শ্ৰোতাৰ বাবে সদায় প্ৰাসংগিক হৈ থাকিব। আজি আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত টেলিভিশ্বন চেনেল প্ৰতিদিন টাইমৰ মুখ্য সম্পাদক নিতুমণি শইকীয়াই এইদৰে মনৰ ভাৱ প্ৰকাশ কৰে। তেওঁ কয়, যে তেওঁৰ দৰেই অসমৰ বহু ব্যক্তিৰ শৈশৱৰ পৰা জীৱনৰ বিভিন্ন স্তৰলৈ আকাশবাণীয়ে শক্তিশালী প্ৰভাৱ বিস্তাৰ কৰি আহিছে। আকাশবাণীৰ বাতৰি আৰু অনুষ্ঠানে ভাষা, উচ্চাৰণৰ

শুদ্ধতাৰ লগতে ৰাজ্যখনৰ সাহিত্য, সংস্কৃতি আৰু ঐতিহ্যৰ চেতনা শ্ৰদ্ধাৰে বহন কৰিবলৈ প্ৰেৰণা যোগায় বুলিও তেওঁ উল্লেখ কৰে। আজিৰ অনুষ্ঠানটোৰ প্ৰযোজনা, পৰিকল্পনা আৰু সাক্ষাৎ গ্ৰহণ কৰিলে ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০

অসমৰ বিভিন্ন কাৰাগাৰত অনাহকতে বন্দীত্বৰ জীৱন কটোৱা কাৰাবন্দীসকলৰ হৈ আইনী যুঁজ আগবঢ়োৱাৰ উদ্দেশ্যে **ফ'ৰাম অৱ লিগেল এচিছটেণ্ট ট্যু প্ৰিজনাৰ্ছ আন্দাৰ ট্ৰায়েল** শীৰ্ষক এটা স্বেচ্ছাসেৱী সংগঠন গঠন কৰা হয়। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা ড° ৰোমান শৰ্মাই আজি গুৱাহাটী প্ৰেছ ক্লাৱত আয়োজিত এখন সংবাদমেলত এই কথা ঘোষণা কৰে। অধিবক্তা ড° শৰ্মাই কয়, যে সকলো নাগৰিকৰ মানৱ অধিকাৰ ৰক্ষা কৰি অনাহকত কাৰাবাস খাটি থকা কাৰাবন্দীসকলক মুক্ত জীৱন-যাপনৰ সুযোগ প্ৰদান কৰাৰ বাবে এই ফ'ৰাম গঠন কৰা হৈছে। পৰৱৰ্তী পৰ্যায়ত আইনজীৱী আৰু অধিবক্তা সমাজৰ সহযোগত অসমৰ সকলো জিলালৈ ফ'ৰামৰ কাম-কাজ সম্প্ৰসাৰিত কৰা হ'ব বুলি ড° শৰ্মাই জানিবলৈ দিয়ে।

০০০০

৭০ সংখ্যক লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ফাইনেল ৰাউণ্ডৰ খেলসমূহ কাইলৈ আৰম্ভ হ'ব। গুৱাহাটী ক্ৰীড়া সংস্থাই ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগ তথা বিভিন্ন জিলা ক্ৰীড়া সংস্থাসমূহৰ সহযোগিতাত আয়োজন কৰা এই প্ৰতিযোগিতাত ১৭ টা দলে অংশগ্ৰহণ কৰিব। লোকপ্ৰিয় বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ছটা ক্লাষ্টাৰ ৰাউণ্ডৰ বিজয়ী আৰু বিজিত দলসমূহৰ লগতে গুৱাহাটী প্ৰিমিয়াৰ ফুটবল লীগৰ ছেম্পিয়ন উত্তৰ পূৱ সীমান্ত ৰেলৱে ক্ৰীড়া সন্থা আৰু বিজিত দল ইষ্ট মেভেৰিক্সে এই ৰাউণ্ডত প্ৰতিদ্বন্দিতা আগবঢ়াব। ইয়াৰ উপৰি নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাৱ, শ্বিলং লাজং ফুটবল ক্লাৱ, অইল ইণ্ডিয়া লিমিটেড ফুটবল ক্লাৱে আমন্ত্ৰিত দল হিচাপে প্ৰতিযোগিতাত ভাগ ল'ব।

০০০০

দক্ষিণ আফ্ৰিকাই ইংলেণ্ডক ৭ উইকেটত পৰাস্ত কৰি আই চি চি চেম্পিয়নছ্ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমি ফাইনেলত স্থান নিশ্চিত কৰিছে। দক্ষিণ আফ্ৰিকাই আজি কৰাচিত অনুষ্ঠিত গ্ৰুপ বিৰ লীগ পৰ্যায়ৰ অন্তিমখন খেলত ১৮০ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ২৯ অভাৰ আৰু এটা বলত ৩ টা উইকেট হেৰুৱাই ১৮১ ৰাণ কৰে। ইয়াৰ পূৰ্বে ইংলেণ্ডে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ৩৮ অভাৰ আৰু ২টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৭৯ ৰাণ সংগ্ৰহ কৰে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই কাইলৈ শোণিতপুৰ জিলাৰ ঢেকিয়াজুলিৰ ত্ৰিমুৰ্তি ভৱনত **দেশৰ কথা দেশৰ গান** শীৰ্ষক এটা বিশেষ অনুষ্ঠানৰ আয়োজন কৰিছে। এই অনুষ্ঠানত চাইবাৰ অপৰাধ সম্পৰ্কত বক্তৃতা প্ৰদান কৰিব উপ-আৰক্ষী অধীক্ষক পিংকি দাসে। ইয়াৰ পাছতেই জ্যেষ্ঠ সংগীত শিল্পী জে পি দাস আৰু দুৰ্গাময়ী বৰাই গীত পৰিবেশন কৰিব। সন্ধিয়া ৬ বাজি ৫ মিনিটৰ পৰা নিশা ৮ বজালৈ এই অনুষ্ঠান কেন্দ্ৰৰ মহাবাহু শাখা আৰু ইয়াৰ ফে'চবুক পেজত পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানৰ মাজতে ৬ বাজি ৪৫ মিনিটত সন্ধিয়াৰ আঞ্চলিক বাতৰি আৰু ৭ বাজি ১০ মিনিটৰ বাতৰি প্ৰচাৰিত হ'ব। দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটত প্ৰচাৰ হ'বলগীয়া সংবাদ চলন্তিকাৰ প্ৰচাৰ অৱশ্যে বন্ধ থাকিব।

০০০০

ঃঃ সমাপ্ত ঃঃ